**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-12-2024 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

মহাৰাষ্ট্ৰৰ নৱনিৰ্বাচিত বিজেপি বিধায়িনী দলৰ বৈঠক আজি মুম্বাইত অনুষ্ঠিত হৈছে। এই বৈঠকতে বিধায়িনী দলৰ নতুন নেতা নিৰ্বাচন কৰা হ'ব। দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই দলটোৰ জ্যেষ্ঠ নেতা তথা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমন আৰু গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীক আজিৰ এই বৈঠকৰ বাবে হাইকামাণ্ডৰ পৰ্যবেক্ষক ৰূপে নিযুক্ত কৰিছে। মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিদায়ী মন্ত্ৰীসভাৰ উপ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ বিধায়িনী দলৰ নতুন নেতা নিৰ্বাচিত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে বুলি পৰ্যবেক্ষকসকলে ধাৰণা কৰিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে, যে বিজেপি বিধায়িনী দলৰ নৱনিৰ্বাচিত নেতাগৰাকীয়ে আজি বিয়লি ৫ বজাত মুম্বাইৰ আজাদ ময়দানত আয়োজিত অনুষ্ঠানত ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ কৰিব। শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীও উপস্থিত থাকিব। উল্লেখযোগ্য যে, সদ্যসমাপ্ত মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন মহায়ুটী মৰ্চাই দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা অৰ্জন কৰিছিল আৰু বিজেপিয়ে বিধানসভাৰ সৰ্বাধিক আসনত জয় লাভ কৰিছিল।

ooooo

পঞ্জাবৰ অমৃতসৰৰ স্বৰ্ণ মন্দিৰত আজি এটা দুৰ্বৃত্তই ৰাজ্যখনৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী তথা শিৰোমণি আকালি দলৰ নেতা সুখবীৰ সিং বাদললৈ লক্ষ্য কৰি কৰা গুলীচালনাৰ ঘটনাত প্ৰাক্তন উপ-মুখ্যমন্ত্ৰীজনৰ কথমপি প্ৰাণ ৰক্ষা পৰে। শ্ৰী বাদলে মন্দিৰৰ প্ৰৱেশদ্বাৰত হুইল চেয়াৰত বহি প্ৰাৰ্থনা কৰি থকাৰ সময়তে নাৰায়ণ সিং নামৰ দুৰ্বৃত্তটোৱে তেওঁৰ ওপৰত গুলীচালনা কৰাৰ চেষ্টা কৰে। অৱশ্যে প্ৰৱেশদ্বাৰত ৰৈ থকা শিৰোমণি গুৰুদ্বাৰ প্ৰৱন্ধক সমিতিৰ সেৱকসকলৰ তৎপৰতাত তেওঁৰ প্ৰাণ ৰক্ষা পৰে। সেৱকসকলে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীক আগুৰি ধৰাৰ সময়তে গুলীটো গৈ বেৰত খুন্দা মাৰে। দুৰ্বৃত্তটোক ততালিকে আৰক্ষীক গতাই দিয়া হৈছে। ঘটনাস্থলীত ততালিকে আৰক্ষী আয়ুক্ত গুৰপ্ৰীত সিং ভুল্লাৰ উপস্থিত হৈ ঘটনাৰ সবিশেষ তদন্ত কৰিছে। শ্ৰী বাদলৰ পত্নী তথা প্ৰাক্তন সাংসদ হৰচিমৰত কৌৰ বাদলো ঘটনাস্থলীত উপস্থিত হৈছে।

ইপিনে, কেন্দ্ৰীয় মন্ত্ৰী ৰৱনীত সিং বিট্টুৱে শ্ৰী বাদলৰ ওপৰত আক্ৰমণৰ ঘটনাক গৰিহণা দিছে। কংগ্ৰেছ নেত্ৰী ৰেণুকা চৌধুৰীয়েও এই ঘটনাক দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰিছে।

oooooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৰ নৱতম মহাকাশ যান PSLV-C59 আজি বিয়লি শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা উৎক্ষেপন কৰা হ'ব। ইছৰোৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি আজি বিয়লি ৪ বাজি ৮ মিনিটত PSLV-C59 যানখনে ইউৰোপীয় মহাকাশ সংস্থাৰ প্ৰোবা থ্ৰী উপগ্ৰহলানি মহাকাশত উৎক্ষেপন কৰিব। ইছৰোৰ বাণিজ্যিক শাখা নিউ স্পেচ ইণ্ডিয়া লিমিটেডে এই প্ৰোবা থ্ৰী উপগ্ৰহলানি মহাকাশত উৎক্ষেপন বাবে ইউৰোপীয় মহাকাশ সংস্থাৰ পৰা ফৰমাচ লাভ কৰিছে। প্ৰোবা থ্ৰি উপগ্ৰহসমূহ কক্ষপথত উপনীত হোৱাৰ পাছত দুটা ভাগত বিভক্ত হ'ব। এই উপগ্ৰহসমূহে সৌৰ মুকুট, ইয়াৰ চৌপাশৰ বাতাবৰণ, মহাকাশৰ বতৰ আৰু সৌৰ বতাহৰ অধ্যয়ন কৰিব।

০০০০০

অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ বিষয়ববীয়া নিৰ্বাচনৰ ভোটগ্ৰহণৰ আজি অন্তিম দিনা বিভিন্ন শাখা সাহিত্য সভাত ব্যস্ততা অব্যাহত আছে। যোৱা ২১ নৱেম্বৰৰ পৰা চলা ভোটদান প্ৰক্ৰিয়া শেষ হোৱাৰ পাছত কাইলৈ পুৱা ১০ বজাত বেলট বাকচ বন্ধ কৰা হ'ব। সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাই জানিবলৈ দিয়া অনুসৰি বেলট বাকচসমূহ বন্ধ কৰাৰ পাছত মেঘদূত ভৱনত ৰখা হ'ব। অহা ২৯ ডিচেম্বৰত ভোটগণনা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ নিৰ্বাচনৰ বাবে সভাপতি পদত ড০ বসন্ত কুমাৰ গোস্বামী আৰু ড০ উপেন ৰাভা হাকাচাম, উপ-সভাপতি পদত পদুম ৰাজখোৱা, ডা০ বিপিন কলিতা, ছহিৰ ভূঞা আৰু প্ৰধান সম্পাদক পদত অজিৎ প্ৰসাদ শৰ্মা, দেৱজিৎ বৰা আৰু ড০ সঞ্জীৱ কুমাৰ শৰ্মাই প্ৰতিদ্বন্দ্বিতা কৰিছে। এইবাৰ মুঠ ৮৪৯ খন জিলা আৰু শাখাই ভোটদানৰ অধিকাৰ লাভ কৰিছে। ৰাজ্যৰ বিভিন্ন স্থানৰ শাখাসমূহৰ লগতে দিল্লী, মুম্বাই, কলকাতা, আহমেদাবাদ আদিত থকা সভাৰ শাখাসমূহেও ইতিমধ্যে ভোটদান কৰিছে বুলি সাহিত্য সভাৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

অসমৰ ঈষা ৰাণী বৰুৱাই আজি গুৱাহাটী মাষ্টাৰ্ছ ২০২৪ আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতাৰ মূল ৰাউণ্ডৰ মহিলাৰ একক শাখাত  অনমোল খাৰ্বেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ঈষাৰাণীয়ে আজি বিয়লিৰ ভাগতে প্ৰথম ৰাউণ্ডৰ খেল খেলিব।

উল্লেখযোগ্য যে ভাৰতীয় বেডমিণ্টন ফেডাৰেশ্যনৰ সহযোগত অসম বেডমিণ্টন সন্থাই ক্ৰমাগত দ্বিতীয় বাৰৰ বাবে মহানগৰীত আয়োজন কৰা প্ৰতিযোগিতাখনত বিশ্বৰ ২৩খন দেশৰ ৪৬১গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। মুঠ ১ লাখ আমেৰিকান ডলাৰ প্ৰাইজমাণি থকা প্ৰতিযোগিতাখন অহা ৮ ডিচেম্বৰত সামৰণি পৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে কাইলৈ   দিনৰ ১০ বজাৰ পৰা বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকল কাইলৈ পুৱা চাৰে ৯ বজাৰ ভিতৰত আকাশবাণী গুৱাহাটীৰ বাতৰি কক্ষত উপস্থিত হ'ব লাগিব। ২১ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ স্নাতক প্ৰাৰ্থীয়ে এই সাক্ষাৎকাৰত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰাৰ্থীৰ কম্পিউটাৰ বিষয়ক সম্যক জ্ঞান, SOCIAL MEDIA অৰ্থাৎ সামাজিক মাধ্যমত কাম কৰাৰ অভিজ্ঞতা, আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠান সম্পৰ্কীয় সাধাৰণ জ্ঞান থকাৰ লগতে কণ্ঠ বাণীবন্ধন আৰু সম্পাদনাৰ জ্ঞান থাকিব লাগিব। প্ৰাৰ্থী গুৱাহাটী মহানগৰীৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা হ'ব লাগিব। এই বিষয়ে বিশদ জানিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে আকাশবাণীৰ জাননী ফলক চাব পাৰে।

০০০০০০

সমাপ্ত